بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**উহুদৰ যুদ্ধলৈ যাত্ৰা কৰাৰ সময়ত সংঘটিত হোৱা ঘটনা সমূহৰ বৰ্ণনা আৰু পেলেষ্টাইনৰ নিৰ্দোষ নাগৰিক সকলৰ বাবে দোৱাৰ তেহেৰিক**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৮ ডিচেম্বৰ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَاِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَلَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যোৱা জুমাৰ খোতবাত উহুদৰ যুদ্ধ সম্পৰ্কে বৰ্ণনা কৰা হৈছিল। এই বিষয়ে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৰা বৰ্ণনা সমূহ ইয়াতে চমুকৈ আকৌ বৰ্ণনা কৰিম। তেখেত (ৰাঃ)য়ে কৈছে যে মক্কাৰ কাফিৰ সকলে বদৰৰ যুদ্ধত শোচনীয় ভাৱে পৰাজয় বৰণ কৰি যুদ্ধ ক্ষেত্ৰ এৰি পলায়ন কৰাৰ সময়ত এয়া ঘোষণা কৰে যে অহা বছৰ আকৌ মদিনা আক্ৰমণ কৰিম  আৰু এই পৰাজয়ৰ পোতক তুলিম। অৰ্থাৎ মুছলমান সকলৰ ওপৰত ইয়াৰ প্ৰতিশোধ ল'ম। গতিকে তেওঁলোকে এবছৰমান পিছত সুসজ্জিত হৈ মদিনাৰ ওপৰত আক্ৰমণ চলাবলৈ আহে। মক্কাবাসীৰ ক্ৰোধ ইমানেই উগ্ৰ আছিল যে বদৰৰ যুদ্ধত পৰাজিত হৈ গৈ মক্কাত ঘোষণা কৰিছিল যে কোনেও নিজৰ মৃত ব্যক্তি সকলৰ বাবে কন্দা-কটা কৰিব নোৱাৰিব আৰু যিবোৰ বণিক দল আহিব তেওঁলোকৰ লাভাংশ খিনি আগলৈ যুদ্ধৰ বাবে দিব লাগিব। এনেদৰে প্ৰস্তুতি লোৱাৰ পিছত তিনি হেজাৰতকৈ অধিক চিপাহীৰ এটা দল প্ৰস্তুত কৰি আবু ছুফিয়ানৰ নেতৃত্বত মদিনা আক্ৰমণ কৰিবলৈ যাত্ৰা কৰে।

কাফিৰ সকলৰ অভিযানৰ খবৰ পাই ৰছুলুল্লাহ (ছাঃ)য়ে মদিনাত নিজৰ চাহাবা সকলৰ লগত পৰামৰ্শ কৰে যে আমি মদিনাত অৱস্থান কৰি মোকাবিলা কৰা ঠিক হ'ব নে বাহিৰত গৈ ভেটা দিয়া উচিত হ'ব। আঁহজৰত (ছাঃ)ৰ ধাৰণা আছিল যে শত্ৰুক আক্ৰমণ কৰিবলৈ দিয়া যাওঁক, যাতে যুদ্ধৰ বাবে তেওঁলোকে দায়ী হয় আৰু মুছলমান সকলে ঘৰতে থাকি যুদ্ধ কৰিবলৈ সুবিধা পায়। কিন্তু যিসকলে মুছলমানৰ অন্তৰত খোদা তা'লাৰ বাটত শ্বহীদ হোৱাৰ প্ৰবল ইচ্ছা প্ৰকট হৈ আছিল তেওঁলোকে ইচ্ছা প্ৰকাশ কৰে যে মদিনাৰ বাহিৰত গৈ কাফিৰে মক্কাৰ বাহিনীৰ লগত যুঁজ দিয়া যাওঁক। এনেতে আঁহজৰত (ছাঃ)য়ে দেখা এটা সপোন

সম্পৰ্কে বৰ্ণনা কৰে। আঁহজৰত (ছাঃ)য়ে সপোনত দেখিছিল যে কেইটামান গাই জবাই কৰা হৈ আছে আৰু দেখিবলৈ পাইছিল যে তেখেত (ছাঃ)ৰ তৰোৱালৰ মূৰ ভাঙি গৈছে আৰু তেখেত (ছাঃ)য়ে এখন কবচৰ মাজত নিজৰ হাত সুমুৱাই দি আছে; আৰু দেখিছিল যে তেখেত (ছাঃ)য়ে এটা মাইকী দোম্বাৰ ওপৰত আৰোহণ কৰি আছে। চাহাবা সকলে বিচৰাত আঁহজৰত (ছাঃ)য়ে এই সপোনৰ অৰ্থ এনেদৰে কৰিছিল যে গাই জবাহ কৰাই ইঙ্গিত বহন কৰে যে এই যুদ্ধত মোৰ কিছুমান বিশিষ্ট চাহাবা শ্বহীদ হ’ব। তৰোৱালৰ মূৰ ভাঙি যোৱাই বুজাইছে যে মোৰ আত্মীয় সকলৰ পৰা কোনো এজন বিশিষ্ট ব্যক্তি শ্বহীদ হ’ব। অথবা এই অভিযানত মই নিজেই কোনো কষ্টত পৰিম। কবচৰ ভিতৰত হাত সুমুৱাই দিয়াৰ অৰ্থ কৰিছে যে মদিনাত থাকি যুদ্ধ কৰাই বেছি যুক্তিযুক্ত হ’ব। দোম্বাৰ ওপৰত আৰোহণ কৰাৰ অৰ্থ এনেদৰে কৰিছে যে এই যুদ্ধত কাফিৰ বাহিনীৰ ওপৰত জয়লাভ হ’ব। যিয়েই নহওক এই সপোনৰ জৰিয়তে মুছলমান সকলক স্পষ্টকৈ বুজাই দিয়া হৈছিল যে তেওঁলোকে মদিনাত থাকি যুদ্ধ কৰাটো বেছি ভাল হ’ব। কিন্তু যিহেতু এই সপোনৰ অৰ্থ আঁহজৰত (ছাঃ)য়ে নিজৰ ফালৰ পৰা ভাৰি লৈছিল আৰু এই সম্পৰ্কে কোনো ইলহাম হোৱা নাছিল সেয়ে এই সম্পৰ্কে তেখেত (ছাঃ)য়ে যুদ্ধৰ বাবে বাহিৰলৈ যোৱাৰ সিদ্ধান্ত লৈছিল।

যেতিয়া মদিনাৰ বাহিৰতে গৈ কাফিৰ সকলক ভেটা দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় তেতিয়া আঁহজৰত (ছাঃ)য়ে চাহাবা সকলক যুদ্ধৰ প্ৰস্তুতি ল’বলৈ আদেশ দিয়ে আৰু নিজেও যুদ্ধৰ প্ৰস্তুতি ল’বলৈ আৰম্ভ কৰে। তেতিয়া হজৰত ছাআদ বিন মুৱাজ (ৰাঃ) আৰু হজৰত আছিদ বিন হজিৰ (ৰাঃ)য়ে ৰায় প্ৰদান কৰা লোক সকলক কৈছিল তোমালোকে ৰছুলুল্লাহ (ছাঃ)ৰ ইচ্ছাৰ বিৰুদ্ধে গৈ মদিনাৰ বাহিৰত গৈ যুদ্ধ কৰিবলৈ বাধ্য কৰিলা। গতিকে এতিয়াও সময় আছে এই সিদ্ধান্ত ৰছুলুল্লাহ (ছাঃ)ৰ ওপৰত এৰি দিয়া। তেখেত (ছাঃ)য়ে যি সিদ্ধান্ত ল’ব সেইটো আমাৰ বাবে কল্যাণকৰ হ’ব। যেতিয়া তেখেত (ছাঃ)য়ে যুদ্ধৰ পোছাক পৰিধান কৰি বাহিৰলৈ ওলাই আহিছিল তেতিয়া চাহাবা সকলে আঁহজৰত (ছাঃ)ৰ ওচৰত বিষয়টো জনায় তেতিয়া হুজুৰ (ছাঃ)য়ে কৈছিল যে নবী সকলৰ বাবে এয়া জায়েজ নহয় যে অস্ত্ৰ ধাৰণ কৰাৰ পিছত সেই সময়ৰ আগতেই অস্ত্ৰ সামৰি লয় যেতিয়া লৈকে আল্লাহ তা’লা তাৰ আৰু তাৰ শত্ৰুৰ মাজত এটা মীমাংশ আনি নিদিয়ে।

আঁহজৰত (ছাঃ)য়ে চাহাবা সকলৰ লগত যাত্ৰা কৰাৰ সময়ত তিনিটা নেজা আনি নেজাৰ মূৰত তিনিটা পতাকা বান্ধি দিছিল। তাৰে এটা পতাকা দিছিল আউচ কবিলাৰ আছিদ বিন হজিৰ (ৰাঃ)ৰ হাতত আৰু খজৰত কবিলাৰ পতাকা দিছিল আহবাব বনি মনজৰ (ৰাঃ)ৰ হাতত আৰু মুহাজেৰিণ সকলৰ পতাকাখন হজৰত আলি (ৰাঃ)ৰ হাতত দিছিল। মদিনাত ৰৈ যোৱা লোক সকল নামাজ পঢ়াবলৈ ইবনে উম্মে মকতুমক নিজৰ সহকাৰী হিচাপে নিযুক্ত কৰি থৈ যায়। সেই মুছলমান বাহিনীৰ মাজত মাত্ৰ দুটা ঘোঁৰা আৰু এশ কবচদাৰী চিপাহী আছিল।

বাটতে ইহুদী সকলৰ ফালৰ পৰা এদল লোকে আহি মুছলমান সকলৰ সৈতে যুদ্ধত অংশ গ্ৰহণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে কিন্তু আঁহজৰত (ছাঃ)য়ে কাফিৰ সকলৰ লগত হ’বলগীয়া যুদ্ধত ইহুদী সকলৰ সহায় ল’বলৈ পছন্দ নকৰে আৰু তেওঁলোকক মানা কৰি দিয়ে। এনেদৰে হুজুৰ (ছাঃ)য়ে পোন্ধৰ বছৰৰ তলৰ বয়সৰ ল’ৰা বিলাকক যুদ্ধত অংশ গ্ৰহণ কৰিবলৈ দিয়া নাছিল আৰু তেওঁলোকক ওভতাই পঠিয়াইছিল।

ইছলামী বাহিনীয়ে গৈ যেতিয়া ৰাতিত এঠাইত অৱস্থান কৰে তেতিয়া আঁহজৰত (ছাঃ)য়ে মহম্মদ বিন মুছলিমা (ৰাঃ)ৰ নেতৃত্বত পঁঞ্চাচ জনীয়া চিপাহীৰ দলক ৰাতিত ইছলামী বাহিনীক পহৰা দিবলৈ নিযুক্ত কৰে।

আব্দুল্লাহ বিন আবি বিন ছুলোল মুছলমান সকলৰ লগত গৈছিল কিন্তু বাটৰে পৰা আকৌ ওভতি আহে। এই সম্পৰ্কে থকা বৰ্ণনাত লিখিছে যে ছেহেৰী খোৱাৰ সময়ত আঁহজৰত (ছাঃ)য়ে শায়খিন নামক ঠাইখন এৰি কিছু দুৰ আগুৱাই যায় এনেতে মদিনা আৰু উহুদৰ মাজত দূৰত্বত থকা শৌত নামক ঠাইখন পোৱাৰ লগে লগে ফজৰ নামাজৰ সময় হয় তাতেই আঁহজৰত (ছাঃ)য়ে ফজৰৰ নামাজ পঢ়ি লয়। এই শৌত অঞ্চলটো কিনাহ আৰু মদিনাৰ মাজমজিয়াত অৱস্থিত। ইয়াতে আহি আব্দুল্লাহ বিন আবি বিন ছলোল নিজৰ মুনাফিক লগৰীয়া সকলক লৈ আঁহজৰত (ছাঃ)ক এৰি থৈ ওভতি আহে। ওভতি বাট ধৰাৰ সময়ত আব্দুল্লাহ বিন আবিয়ে আঁহজৰত (ছাঃ)ক কৈছিল যে আপুনি মোৰ কথা মানি লোৱা নাই; বৰং সেই ল'ৰা বিলাকৰ কথাহে মানিল লৈছে। গতিকে আমি কি উদ্দেশ্যে প্ৰাণ দিম। আব্দুল্লাহ বিন আবিয়ে মুনাফিক সকলক লৈ ওভতি অহাৰ পিছত হুজুৰ পাক (ছাঃ)ৰ লগত মাত্ৰ সাত শ চাহাবাৰ এটা দল থাকি যায়। তেতিয়া আনছাৰ সকলৰ ফালৰ পৰা হুজুৰ (ছাঃ)ৰ ওচৰত এটা পৰামৰ্শ স্বৰূপে আবেদন আহে যে মদিনাৰ ইহুদী সকলৰ মাজত যিসকলে আমাৰ বন্ধু হয় তেওঁলোকৰ সহায় আমি ল'ব পাৰোনে ? তেতিয়া হুজুৰ (ছাঃ)য়ে কৈছিল তেওঁলোকৰ সহায়ৰ আমাৰ প্ৰয়োজন নাই।

হুজুৰ পাক (ছাঃ)য়ে ৰাতিপুৱা ফজৰৰ নামাজৰ পিছত চাহাবা সকলকলৈ এটা ভাষণ ৰাখে য'ত মুছলমান সকলৰ বাবে এটা লাহে আমল সাজু কৰি দিয়ে যে কেনেকৈ দ্বীন পালন কৰিব লাগে। এই যুদ্ধত কুৰাইছ সকলৰ লগত কবিলা বণি তাহামা আৰু কবিলা বনু কিনানাৰ লোকেও যোগ দিছিল আৰু কাফিৰ সকলৰ সৈন্য সংখ্যা তিনি হেজাৰ হৈছিল গৈ। কাফিৰ সকলৰ চিপাহী প্ৰশিক্ষণ প্ৰাপ্ত আছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই বৰ্ণনা ইনশা আল্লাহ তা'লা পিছলৈ কৰা হ'ব।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে পেলেষ্টাইনৰ বাবে মই দোৱা কৰিবলৈ আহ্বান জনাই আহিছো। আপোনালোকে দোৱা কৰি থাকক। কেইদিন মান আগত যুদ্ধ বিৰতিৰ সময় শেষ হৈ যোৱাৰ পিছত যেনেকুৱা পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে বুলি ধাৰণা কৰিছিলো ঠিক তেনেকুৱাই চলি আছে। ইজৰাইলে আগতকৈ প্ৰবল ভাৱে যুদ্ধাঞ্চলত বোমা বিস্ফোৰণ কৰা আৰম্ভ কৰিছে। আকৌ নিষ্পাপ ল'ৰা-ছোৱালী আৰু নগৰবাসী সকলে শ্বাহাদত বৰণ কৰি আছে। এনে পৰিস্থিতি অৱলোকন কৰি আমেৰিকাৰ এজন কংগ্ৰেছ প্ৰতিনিধিয়ে কঠোৰ সমালোচনাৰ মাধ্যমে কৈছে যে এতিয়া বহুত বেছি বাঢ়া-বাঢ়ি হৈ আছে। আমেৰিকাই ইজৰাইলক কঠোৰ ভাৱে বাধা দিয়া উচিত। আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে নিচু গলায় প্ৰতিবাদ কৰি আছে যে এনেদৰে বিস্ফোৰক যুদ্ধ বন্ধ কৰা উচিত। দক্ষিণ আৰু উত্তৰ পেলেষ্টাইনত একেধাৰে যুদ্ধ চলোৱা হৈ আছে। আগতে লোকক কোৱা হৈছিল দক্ষিণ ফালে গুচি যোৱা, একো নহ'ব; এতিয়া তাতেও আক্ৰমণ চলাই আছে।

যিয়েই নহওঁক আমেৰিকাৰ ৰাষ্ট্ৰপতি চাহাবৰ এই উক্তি কোনো সহানুভূতিৰ উদ্দেশ্যে নহয় বৰং এয়া তাৰ নিজৰ লাভালাভৰ উদ্দেশ্যে আগবঢ়োৱা কথাহে। গতিকে আমি ভুল ধাৰণা এটা লৈ বহি থাকিলে নচলিব। আচলতে আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে তাৰ ৰাজনৈতিক কাঠামো আৰু ভোট বেংক ঠিক ৰখাৰ বাবে এনে মৃদু প্ৰতিবাদ কৰি আছে। পেলেষ্টাইনৰ প্ৰতি বা মুছলমান সকলৰ প্ৰতি তাৰ কোনো সহানুভূতি নাই।

ইয়াৰ পিছত মুছলমান দেশবোৰ আছে, তেওঁলোকৰ প্ৰতিবাদ লাহে লাহে জোৰদাৰ হৈ আছে, কিন্তু যেতিয়ালৈকে সকলোৱে মিলি যুদ্ধ বন্ধ কৰাৰ চেষ্টা নকৰিব এনে প্ৰতিবাদৰ কোনো ফল নহ'ব। আল্লাহ তা'লা মুছলমান সকলৰ মাজত একতা জন্মাই দিয়ক। অমুছলিম বিশ্বই এয়া ভালদৰে জানে যে মুছলমান

সকলৰ মাজত একতা নাই বৰং মুছলমানে মুছলমানক হত্যা কৰাত লাগি পৰিছে। ইয়ামিনৰ ঘটনাবোৰেই তাৰ দৃষ্টান্ত এনেদৰে আৰু দেশ আছে। হাজাৰ হাজাৰ ল'ৰা-ছোৱালী আৰু নিৰ্দোষ মানুহ মুছলমান সকলৰ হাতত প্ৰাণ দি আছে। এনে পৰিস্থিতি আৰু দৃশ্যবোৰে অমুছলিম জগতৰ সাহস দিগুণ বঢ়াই তুলিছে যে মুছলমান সকলৰ ওপৰত অত্যাচাৰ কৰিলে একোৰে নহয়, তেওঁলোকে নিজে নিজৰ ওপৰত অত্যাচাৰ উৎপীড়ন কৰি আছে। য'ত মুছলমানে মুছলমানৰ প্ৰাণৰ হকে চিন্তা নকৰে তাতে শত্ৰুৱে কেনেকৈ এওঁলোকৰ প্ৰাণৰ বাবে চিন্তা কৰিব। আল্লাহ্ তা'লা বৰ কঠোৰ ভাৱে কোৰাণ কৰিমত কৈছে যে মুছলমান হৈ আন এজন মুছলমানক হত্যা কৰাজনক জাহান্নামত নিক্ষেপ কৰা হ'ব। আল্লাহ কৰক, মুছলমান সকলে একতাবদ্ধ হৈ জগতৰ পৰা জুলুম অত্যাচাৰৰ অন্ত পৰাৰ মাধ্যম হওঁক আৰু যাতে এই অন্যায়ৰ ফালে আগবাঢ়ি নাযায়।

U.N.O ৰ ফালৰ পৰা প্ৰতিবাদ সুচ্ছাৰ কৰি আছে, কিন্তু তেওঁলোকৰ প্ৰতিবাদলৈ ভ্ৰূক্ষেপ কৰোতা কোনো নাই। তেওঁলোকে এয়া কৰিম, সেয়া কৰিম বুলি কয়, কিন্তু কৰাত একো কৰিব নোৱাৰে। তেওঁলোকৰ কথা শুনিবলৈ কোনেও নাই। যিবিলাক ডাঙৰ ডাঙৰ শক্তি আছে, সিহঁতে নিজৰ নিজৰ অধিকাৰ জমাই ৰাখিছে। আল্লাহ্ তা'লা মুছলমান সকলৰ ওপৰত কৃপা নাযিল কৰক। যিয়েই নহওঁক আগতেও মই জামাতৰ জৰিয়তে বাৰ্তা প্ৰেৰণ কৰিছো যে এই জুলুম অত্যাচাৰৰ অন্ত পেলাবলৈ আমি দোৱা কৰিব লাগিব। নিজৰ নিজৰ অঞ্চলবাসীৰ নেতৃত্বত থকা লোক সকলে এই অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ খাটনি কৰিব লাগিব। একেবাৰে সাধাৰণ শ্ৰেণীৰ পৰা লৈ আমিৰ নেতৃবৰ্গ পৰ্যন্ত সকলোৱে এই জুলুম অত্যাচাৰ বন্ধ কৰিবলৈ চেষ্টা কৰিব লাগিব। আল্লাহ্ তা'লা নিৰ্দোষ নিষ্পাপ সকলক অত্যাচৰৰ পৰা ৰক্ষা কৰক।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে দুজন মৰহুম ব্যক্তি মকৰমা মাছুদা বেগম চাহিবা, পত্নী মকৰম মৌলানা আব্দুল হাকিম আকমল চাহাব (মৰহুম মুবাল্লিগ ছলিছিলা হলেও) আৰু মাষ্টাৰ আব্দুল মজিদ (শিক্ষক তালিমুল ইছলাম হাই স্কুল ৰাবোৰা)ৰ স্মৃতি বৰ্ণনা কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে আৰু মৰহুমিন সকলৰ মৰ্যদা উন্নীত কৰাৰ বাবে আৰু ক্ষমাৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِيْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَيْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ يُّضْلِلْہُ فَلاَ هَادِيَ لَہٗ وَنَشْهَدُ اَنْ لَّآ اِلٰہَ اِلاَّ اللّٰہُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ. عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰی
وَيَنْهٰی عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰہَ يَذْكُرْكُمْ وَادْعُوْہُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰہِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 8 DEC 2023**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................

..........................................................................................................

..........................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844